# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 08-01-2025
**Time :** 1800 Hrs

# *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

নাগালেণ্ডৰ মুককচাং জিলাত প্ৰৱেশ কৰাৰ পাছত নগা লোকৰ আক্ৰমণত আহত অসম আৰক্ষীৰ এজন জোৱানক আজি অসম আৰক্ষীয়ে উদ্ধাৰ কৰিবলৈ সমৰ্থ হৈছে। আৰক্ষী সূত্ৰৰ উদ্ধৃতি দি আমাৰ চৰাইদেউ সংবাদদাতাই জনোৱা মতে যোৰহাট জিলাৰ টীয়ক আৰক্ষীৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়াগৰাকীৰ নেতৃত্বত কালি গাড়ী চুৰিৰ ঘটনাৰ তদন্তৰ বাবে নাগালেণ্ডৰ মুককচাং জিলাৰ য়া-চাং-চি বস্তিলৈ যোৱা ১৬ জনীয়া আৰক্ষীৰ দলটোক গাঁওখনৰ একাংশ নগালোকে আক্ৰমণ কৰে আৰু ইয়াৰ ফলত একাদশ অসম আৰক্ষী বেটেলিয়ানৰ জোৱানৰ বিদ্যুৎ দাস গুৰুতৰভাবে আহত হয়। ঘটনাৰ খবৰ পাই নাগালেণ্ড আৰক্ষীৰ এটা দল গাঁওখনলৈ আহে আৰু অসম আৰক্ষীৰ দলটোক তেওঁলোকে আটক কৰি ওৰে নিশা আবদ্ধ কৰি ৰাখে। যোৰহাট জিলাৰ আৰক্ষী অধীক্ষক শ্বেতাংগ মিশ্ৰই এই আৰক্ষীৰ লোকসকলক উদ্ধাৰৰ বাবে মুককচাঙৰ আৰক্ষী অধীক্ষকৰ সৈতে যোগাযোগ কৰে আৰু দুয়োগৰাকী বিষয়াৰ হস্তক্ষেপত অসম আৰক্ষীৰ লোককেইজনক মোকলাই দিয়া হয়। আহত জোৱানজনক উন্নত চিকিৎসাৰ বাবে ডিব্ৰুগড়লৈ প্ৰেৰণ কৰা হৈছে। পৰিস্থিতি বৰ্তমান নিয়ন্ত্ৰণত আছে বুলি যোৰহাটৰ আৰক্ষী অধীক্ষক শ্বেতাংগ মিশ্ৰই প্ৰকাশ কৰিছে--- **বাইট**

০০০০০

দুদিনীয়া ভ্ৰমণসূচী লৈ অসমলৈ অহা কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰী জগৎ প্ৰসাদ নাড্ডাই আজি দুপৰীয়া তেজপুৰত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আঞ্চলিক মানসিক স্বাস্থ্য প্ৰতিষ্ঠানত নিৰ্মাণ কৰা অত্যাধুনিক পুথিভঁৰাল আৰু তথ্য কেন্দ্ৰটো আনুষ্ঠানিকভাৱে মুকলি কৰে। প্ৰায় ১২ কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰি উলিওৱা এই পুথিভঁৰাল আৰু তথ্য কেন্দ্ৰটোৱে ছাত্ৰ-ছাত্ৰী, চিকিৎসক আৰু ৰোগীসকলক অধিক সুবিধা প্ৰদান কৰিব বুলি আশা কৰা হৈছে। উল্লেখযোগ্য যে ১৮৭৬ চনত তদানীন্তন ইংৰাজ চৰকাৰৰ দিনত পগলা ফাটেক নামেৰে পৰিচিত হোৱা এই মানসিক চিকিৎসালয়খন স্থাপন কৰা হৈছিল। ১৯৮৯ চনত এই প্ৰতিষ্ঠানখনক লোকপ্ৰিয় গোপীনাথ বৰদলৈ বৰদলৈ আঞ্চলিক মানসিক স্বাস্থ্য প্ৰতিষ্ঠান ৰূপে নামকৰণ কৰা হয় আৰু ইয়াক অত্যাধুনিক মানসিক চিকিৎসা প্ৰতিষ্ঠানলৈ উন্নীত কৰা হয়। বৰ্তমান এই প্ৰতিষ্ঠানখনত ৩৭৬ খন বিছনাৰ সুবিধাৰে অত্যাধুনিক মনোৰোগ চিকিৎসাৰ ব্যৱস্থা আছে। বেয়া বতৰৰ বাবে স্বাস্থ্যমন্ত্ৰী নাড্ডা ইয়াৰ পাছত পথযোগে মঙলদৈলৈ আহে। মঙলদৈত তেওঁ মঙলদৈ অসামৰিক চিকিৎসালয়ত প্ৰধানমন্ত্ৰী আয়ুষ্মান ভাৰত স্বাস্থ্য আন্তঃগাঁথনি অভিযানৰ অধীনত ২৩ কোটি ৭৫ লাখ টকা ব্যয়ৰে নিৰ্মাণ কৰিবলগীয়া ক্ৰিটিকেল কেয়াৰ হাস্পতালখনৰ আধাৰশিলা স্থাপন কৰে। ইয়াৰ পাছত তেওঁ মঙলদৈ নগৰৰ সমীপৰ গেৰীমাৰীত নিৰ্মীয়মান অসম দক্ষতা বিশ্ববিদ্যালয়ৰ নিৰ্মাণকাৰ্যও পৰিদৰ্শন কৰে। চাংসাৰি অভিমুখে যাত্ৰা কৰাৰ পূৰ্বে শ্ৰীনাড্ডাই মঙলদৈৰ ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ চাৰিলেনযুক্ত বাইপাছৰ নিৰ্মাণৰ অগ্ৰগতিৰ বুজ লয় আৰু ছিপাঝাৰ অসামৰিক চিকিৎসালয়খনো পৰিদৰ্শন কৰে। বিয়লিৰ ভাগত কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰীগৰাকীয়ে চাংসাৰিৰ অখিল ভাৰতীয়

আয়ুর্বিজ্ঞান প্রতিষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু প্ৰতিষ্ঠানখনৰ সঞ্চালককে ধৰি উচ্চ পদস্থ বিষয়া আৰু চিকিৎসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰীগৰাকীক আজিৰ আটাইকেইটা কাৰ্যসূচীতে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু জ্যেষ্ঠ মন্ত্ৰীসকল- কেশৱ মহন্ত, প্ৰশান্ত ফুকন আৰু অশোক সিংহলেও সংগ দিয়ে। উত্তৰ গুৱাহাটীৰ ভাৰতীয় প্ৰযুক্তি বিদ্যা প্ৰতিষ্ঠানত এভুমুকি মৰাৰ পাছত তেওঁ আজিয়েই নতুন দিল্লীলৈ উভতি যোৱাৰ কথা আছে।

০০০০০

ডিমা হাচাও জিলাৰ উমৰাংছ’ৰ কয়লাখনিত আবদ্ধ শ্ৰমিকসকলৰ ভিতৰত এজনৰ মৃতদেহ আজি উদ্ধাৰ কৰা হৈছে। মৃত শ্ৰমিকজন নেপালৰ উদয়পুৰ জিলাৰ গংগা বাহাদুৰ শ্ৰেষ্ঠ বুলি চিনাক্ত কৰা হৈছে। নৌসেনাৰ ২১ জন ডুবাৰু, সেনাবাহিনী, এছ্ ডি আৰ এফ, এন ডি আৰ এফ, অগ্নিনিৰ্বাপক বাহিনী আৰু স্থানীয় আৰক্ষীয়ে বাকীকেইজন শ্ৰমিকক উদ্ধাৰৰ বাবে প্ৰতিকুল বতৰকো নেওচি অভিযান চলাই আছে। খনিটোৰ ভিতৰৰ পৰা নিৰ্গত পানী নিষ্কাশনৰ বাবে কেইবাটাও শক্তিশালী পাম্প ব্যৱহাৰ কৰা হৈছে যদিও পানী এতিয়াও সম্পূৰ্ণকৈ উলিয়াই পঠিয়াব পৰা হোৱা নাই। নৌসেনাই আবদ্ধ শ্ৰমিক কেইজনৰ সন্ধেদ উলিয়াবৰ বাবে পানীৰ তলত চলাচল কৰা দূৰ সংবেদী ব্যৱস্থাচালিত অত্যাধুনিক বিশেষ বাহন ব্যৱহাৰ কৰিছে। উদ্ধাৰকাৰী দলসমূহে অভিযানৰ গুৰুত্বৰ প্ৰতি লক্ষ্য ৰাখি নিশাৰ ভাগতো উদ্ধাৰকাৰ্য অব্যাহত ৰখাৰ সিদ্ধান্ত লৈছে। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে তিন কিল’ৰ খনি দুৰ্ঘটনাত পতিত শ্ৰমিকৰ উদ্ধাৰ কাৰ্যত কালিৰে পৰা ক’ল ইণ্ডিয়াৰ এটা দলেও অভিযান চলাই আছে।

০০০০০

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে অহা শনিবাৰে নিশা ৮ বাজি ২ মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত বাতৰি আৰু বাতৰি বিভাগৰ অনুষ্ঠান সম্পৰ্কত শ্ৰোতাসকলে WHATSAPP NO. ৯৮৬৪০-৫৫৫৬৬ যোগে দিয়া অভিযোগ আৰু পৰামৰ্শৰ উত্তৰ দিয়া হ’ব। অনুষ্ঠানটোত ভাগ ল’ব বাতৰি বিভাগৰ জ্যেষ্ঠ পৰিৱেশিকা অৰুণিমা গোস্বামী আৰু বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে। ভাৰতীয় গণসংযোগ প্ৰতিষ্ঠান চমুকৈ আই আই এম চিৰ আইজল চৌহদৰ আঞ্চলিক সঞ্চালক ড° শাশ্বতী গোস্বামীও সেইদিনা ষ্টুডিঅ’ত উপস্থিত থাকি বাতৰি সম্পৰ্কত তেওঁৰ মতামত আগবঢ়াব। অনুষ্ঠান চলি থকাৰ সময়ত আগ্ৰহী শ্ৰোতাই ০৩৬১-২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ নম্বৰত ফোন কৰিব পাৰিব।

০০০০০

সমাপ্ত